**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 07-09-2026**
**Time : 21-25 Hrs**

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::

ৰাজ্য চৰকাৰে প্ৰদূষণ সৃষ্টি কৰা উদ্যোগ আৰু শিলৰ কুৰেৰিকে ধৰি ইটাভাটা বাহিৰলৈ প্ৰেৰণৰ বাবে কাঠ ফলা আৰু ব্যৱসায়িকভাৱে পানী সংগ্ৰহ কৰা উদ্যোগৰ পৰা সেউজ কৰ সংগ্ৰহৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত এখন সংবাদ মেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে চলিত বৰ্ষৰ ১ নৱেম্বৰৰ পৰা ২০২৭ বৰ্ষৰ ১৩ জানুৱাৰীলৈ খেল মহাৰণ আৰু শিশু খেল মহাৰণ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ জনোৱা মতে, ১২ বছৰ অনুৰ্ধৰ শিশুসকলৰ বাবে শিশু খেল মহাৰণ অনুষ্ঠিত হ'ব। পৰৱৰ্তী দুই লাখ চৰকাৰী নিযুক্তিৰ বাবে বৰ্তমানৰ কৰ্মচাৰীসকলৰ পদোন্নতিৰ বিষয়টো ৰাজ্য চৰকাৰে গুৰুত্ব সহকাৰে লৈ নিয়মিত পদোন্নতি দিয়াৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। চৰকাৰী কৰ্মচাৰীসকলৰ যোগ্যতা নিৰোপণকাৰী সেৱাৰ সময় চাৰি বছৰৰ পৰা তিনি বছৰলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

আনহাতে, সামৰিক বাহিনীত কৰ্মৰত অসমৰ যুৱক-যুৱতীসকলৰ চাকৰিৰ সৰ্বোচ্চ সীমা ৪৫ বছৰলৈ বৃদ্ধি কৰাৰ সিদ্ধান্তও আজিৰ কেবিনেটে গ্ৰহণ কৰে।

000

চলিত লোকপিয়লত ৰাজ্যৰগৰিয়া, মৰিয়া, দেশী জলহা আৰু ছৈয়দ জনগোষ্ঠীয়ে মাতৃভাষা অসমীয়া হিচাপে লিখিব। আজি অসম সাহিত্য সভাৰ উদ্যোগত পৰিবেশ্য কলা উপ সমিতিৰ সহযোগত আয়োজিত জনগোষ্ঠীকেইটাৰ বিদ্যায়তনিক আৰু সাংস্কৃতিক সমাবেশৰ মুকলি অধিবেশনত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকি সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই কয় যে অসমৰ চহকী সামাজিক, সাংস্কৃতিক আৰু ভাষিক বৈচিত্ৰৰ অবিচ্ছেদ্য অংগ হিচাপে গৰিয়া, মৰিয়া, দেশী, জলহা আৰু ছৈয়দ জনগোষ্ঠীৰ লোকসকলে যুগ যুগ ধৰি অসমত সমাজ সংস্কৃতি, লোককলা, লোক সংস্কৃতি আৰু ঐতিহ্য সমৃদ্ধি কৰি আহিছে। এই জনগোষ্ঠীসমূহৰ স্বকীয় পৰিচয়, ভাষা, কলা কৃষ্টি আৰু সংস্কৃতিক ঐতিহ্য সংৰক্ষণ, সংবৰ্ধন আৰু ভৱিষ্যত প্ৰজন্মলৈ সুৰক্ষিতভাৱে আগবঢ়াই নিয়াৰ উদ্দেশ্যে অসম সাহিত্য সভাই আজিৰ দৰে কাৰ্যক্ৰমণিকা গ্ৰহণ কৰিছে।

0000

নগাওঁ জিলাত তৎকালীনভাৱে বলবৎ হোৱাকৈ আজিৰে পৰা নিৰ্বাচনী আচৰণ বিধি প্ৰযোজ্য হৈছে। নগাওঁ জিলা আয়ুক্ত আৰণ্যক শইকীয়াই এখন সংবাদমেল সম্বোধন কৰি এইকথা ঘোষণা কৰে। জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত আয়োজিত সংবাদমেলতখনত তেওঁ কয়, যে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা অনুসৰি অহা ১৬ ছেপ্তেম্বৰত মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন, ১৭ চেপ্তেম্বৰ মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ দিন আৰু ১৯ চেপ্তেমম্বৰ

মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। অহা ৬ অক্টোবৰত ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ লগতে ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব। তেওঁ লগতে কয়, যে জিলাখনৰ ১৯ লাখ ৭ হাজাৰ ২০৯ গাৰকী ভোটাৰে উপ নিৰ্বাচনত নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। নগাওঁ লোকসভা সমষ্টিৰ অন্তৰ্গত নগাওঁ জিলাৰ বিধানসভা সমষ্টিকেইটা হৈছে- ধিং, ৰূপহীহাট, চামগুৰি, ৰহা আৰু নগাওঁ -বটদ্ৰৱা সমষ্টি। আনহাতে মৰিগাওঁ জিলাৰ অন্তৰ্গত বিধানসভা সমষ্টিকেইটা হৈছে লাহৰিঘাট, জাগীৰোড আৰু মৰিগাওঁ বিধানসভা সমষ্টি। নগাওঁ জিলাৰ ৫ টা বিধানসভা সমষ্টিৰ বাবে নগাওঁ চহৰত থকা নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয় আৰু দচন উচ্চতৰ মাধ্যমিক বহমুখী বিদ্যালয়ৰ নিৰ্বাচনৰ সা-সামগ্ৰী বিতৰণ, ষ্ট্ৰং ৰূম স্থাপন কৰাৰ উপৰিও দুয়োখন বিদ্যালয়তে ভোটগণনা প্ৰক্ৰিয়া অনুষ্ঠিত হব।

০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ১১০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পৰ ভিতৰত শৈক্ষিক ভৱন, ছাত্ৰাৱাস, আধুনিক মেছ ভৱন, কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰাল, বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহৰ আধুনিকীকৰণ, চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ বাবে আৱাস নিৰ্মাণ আদি অন্যতম। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ননীগোপাল মহন্তই মুগাৰ অংগবস্ত্ৰ, শৰাই আৰু নামসিংহৰে উপ-ৰাষ্ট্ৰপতিক আদৰণি জনায়। ইয়াৰ পাছতে ৰাধাকৃষ্ণণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত দুখন গ্ৰন্থ - চন্দ্ৰকান্ত অভিধানৰ পঞ্চম সংস্কৰণ আৰু Bhupen Hazarika -Hundred Years of Wandering Song আনুষ্ঠানিকভাৱে উন্মোচন কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক ঐতিহ্যৰ সৈতে গুৱাহাটী বিশ্ববিদ্যালয় সংপৃক্ত হৈ আছে বুলি উল্লেখ কৰে। তেওঁ কয় যে অঞ্চলটোৰ বিলুপ্তিৰ পথত থকা ভাষাসমূহৰ সংৰক্ষণ আৰু পুনৰুজ্জীৱিতকৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা তথা বিজ্ঞান মানসিকতা আৰু সময়োপযোগী জ্ঞানৰ মাজত সংযোগ স্থাপনৰ প্ৰয়াসে সমাজৰ প্ৰতি থকা বিশ্ববিদ্যালয়খনৰ দায়বদ্ধতাকে প্ৰতিফলিত কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে বিশ্ববিদ্যালয় এখনে কেৱল মাত্ৰ বিদ্যায়তনিক কামতেই অহিৰণা আগ নবঢ়ায়, বৰং সমাজৰ সামগ্ৰিক দিশতে বিশেষ বৰঙণি আগবঢ়ায়।

০০০০

সমাপ্ত